
www.dailyassam.com



# যুগমীয়া শৰাইঘাট

*লুইতৰ পানী বৈ থাকে মানে শৰাইঘাটৰ যুঁজৰ তাৎপৰ্য আৰু বীৰত্বৰ কথা অসমৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব। এই শৰাইঘাটৰ যুঁজতে অসমীয়া সৈন্য আৰু সেনাপতিৰ কৰ্মদক্ষতা, সময় অনুযায়ী কৰ্তব্যবোধ, আভ্যন্তৰীণ শৃংখলাৰ প্ৰকাশ আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ অদম্য দেশপ্ৰেমৰ চানেকি প্ৰতিফলিত হোৱা দেখা যায়। সততে জাগ্ৰত অসমীয়া জাতিৰ সময়োপযোগী দায়িত্ববোধ, কৰ্মনিষ্ঠা আৰু যুঁজাৰু মানসিকতাৰ উৎকৃষ্ট নমুনা শৰাইঘাটৰ কাহিনীত উজলি উঠিছে। জাতীয় চৈতন্যক জগাই তুলিবলৈ শৰাইঘাটৰ কাহিনীয়ে যথেষ্ট যাৰ পৰা আমি শিক্ষা ল'ব পাৰোঁ।*



এতিয়া লাচিতৰ দিনৰ শৰাইঘাট নাই, কিন্তু আন এখন শৰাইঘাট হ'লে আছে। এইখন শৰাইঘাটত সংঘবদ্ধ হৈ সদৌ অসমীয়া দেশ-ৰক্ষাৰ মন্ত্ৰত একমুখী হোৱাৰ আৱশ্যকতা আছে। অতীতৰ শৰাইঘাটৰ সমস্যাবোৰ আছিল সামৰিক, এতিয়াৰ সমস্যাবোৰ হ'ল সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ঐতিহ্যিক। অসমৰ সমস্যাৰ অন্ত নাই আৰু অন্ত নপৰে। বছৰি বানপানীৰ দুৰ্যোগ, খৰাং বতৰৰ দুৰ্যোগ, মাৰি মৰক, ভুঁইকঁপ, ওচৰ-চুবুৰীয়া জাতিবৃন্দৰ লগত লেন-দেন, বিশ্বজগতৰ লগত যোগাযোগ আৰু চলাচল ব্যৱস্থা, মানুহৰ কু-প্ৰবৃত্তি দমনৰ আৱশ্যকতা, শিক্ষা বিষয়ক বিবিধ প্ৰশ্ন আৰু শাসনকাৰ্যৰ সুচাৰু সম্পাদন, এনে ধৰণৰ সমস্যা চিৰকাল অসমৰ গাত লম্ভি আছে আৰু লম্ভি থাকিব, আৰু এক শ্ৰেণীৰ সমস্যাৰ সমাধান হ'লে আন শ্ৰেণীৰ সমস্যাই মূৰ দাঙি উঠিব। এয়ে হৈছে অসমৰ জাতীয় জীৱনৰ চিৰন্তন পটভূমি। এই সমস্যাবোৰৰ ভালদৰে মাধান নহ'লে অসমৰ অস্তিত্ব লৈ টনাটনি হ'ব। লাচিত বৰফুকন মহাবীৰ আৰু তেওঁৰ লগৰ হাৰথীসকলে যি মনোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেমেৰে সেই কালৰ সমস্যা সমাধান কৰিছিল, সেই নোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেম আমাৰ প্ৰতি মুহূৰ্তে আৱশ্যক। অসমীয়াই যাতে এই ডাঙৰ কথাটো দয়ংগম কৰে আৰু যাতে অসমীয়াৰ প্ৰতি প্ৰাণে শৰাইঘাটৰ আদৰ্শ কাৰ্যকৰী হৈ শিপা মেলে।

মীৰজুমলা নবাবে জয় কৰি থৈ যোৱা গুৱাহাটী অসমে লোৱা বাৰ্তা শুনি ঔৰংজেৱ বাদছাহে ৰাজপুত ৰজা ৰামসিংহক পঠালে অসম মাৰিবৰ কাৰণে। ৰামসিংহই কটকী পঠাই ক'লে, "ভাই লাচিত, আমাৰ লগত যুঁজ কৰিব পাৰিবা জানো? এই এটোপোলা আফুগুটি পঠিয়ালোঁ, ইয়াত যিমান গুটি, আমাৰ সৈন্যৰ সংখ্যাও তিমান।" লাচিতে উত্তৰ দিলে, "আফুগুটি পঠিয়াইছা পটাত পিহিলে পানী হ'ব। মই এচুঙা বালি পঠিয়ালোঁ। আমাৰ সৈন্যৰ এনয় লক্ষণ।"

কথাৰ যুদ্ধৰে বলে নোৱাৰি ৰামসিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰিলে। লাচিতৰ তেতিয়া ভীষণ জ্বৰ। জ্বৰৰ গাৰে তেওঁ নাও মেলি দিলে আৰু চিঞৰি ক'লে, "অসমীয়া ৰণুৱাসকল, মই যুঁজিহে মৰিম। চিলা পৰ্বতৰ ওপৰত এচপৰা মাটি কিনি থৈছোঁ, তাতে মোৰ শটো থ'বা, নাইবা মোক বঙালে ধৰি লৈ যাওক, তোমালোক সুখেৰে ঘৰলৈ উভতি যোৱা।" লাচিতৰ এই মৃত্যুপণ শুনি অসমীয়াৰ গালৈ তেজ আহিল। শৰাইঘাটৰ যুঁজত ৰামসিংহ পৰাজিত হ'ল।

অসম এৰি যাবৰ সময়ত ৰামসিংহই কৈ গ'ল, "ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা। অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত। মই হেন ৰামসিংহ নিজে যুদ্ধৰ সেনাপতি হৈও একোতে সুবিধা নাপাওঁ।"

শৰাইঘাটৰ যুদ্ধত অসমৰ বিজয় ভুকুতে পকা কল নাছিল। ইয়াৰ মূলত আছিল সুচিন্তিত আঁচনি, বিচক্ষণ সংগঠন, শৃংখলামূলক আয়োজন, সুদৃঢ় নিয়মানুবৰ্তিতা, বিপদত ধৈৰ্য, সংকটত নিৰ্ভীকতা, আমূলে দুৰ্নীতি দমন, দেশৰ মংগল কাৰ্যত সম্পূৰ্ণ আত্মবিলোপ আৰু স্বাৰ্থত্যাগ আৰু আত্মকন্দলৰূপী বিষবৃক্ষৰ গুৰিয়ে শিপায়ে ঠালে ঠেঙুলিয়ে উৎপাটন।

অকল যুদ্ধ সামগ্ৰীৰে যুদ্ধ জয় কৰিব নোৱাৰি। ইয়াৰ কাৰণে আহিলা-পাতি যিমান প্ৰয়োজন তাতকৈ বেছি প্ৰয়োজন সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনোবৃত্তি, কৰ্মনিষ্ঠতা আৰু যুদ্ধ জয়ৰ কাৰণে উত্ৰাৱল অথচ নিশ্চিত অভিলাষ।

লাচিতৰ অধীনত এক লক্ষ সৈন্য আছিল। সকলো সৈন্যৰ প্ৰাণ-মন যাতে কৰ্তব্যৰপৰা এক তিলো বিচলিত নহয়, তাৰ কাৰণে লাচিত বৰফুকনে অহোপুৰুষাৰ্থ কৰিছিল। কোনোবাই যুদ্ধৰ কামত মন এৰি ইফাল-সিফাল কৰে বুলি লাচিত বৰফুকনে পোন প্ৰথমে কামাখ্যা গোসাঁনীলৈ সেৱা কৰি ঘোষণা কৰিছিল, "যুদ্ধৰ কামত পাছ হুহঁকিলে মই এই হেংদানেৰে তাক দুডোখৰ কৰি কাটিম, পাছতহে স্বৰ্গদেৱক জনাম।" অসমৰ নিয়মমতে স্বৰ্গদেৱেহে মানুহ কটাৰ আজ্ঞা দিব পাৰিছিল। লাচিতৰ এই প্ৰচণ্ড সংকল্পৰ বিৰুদ্ধে অন্য সেনাপতিসকলে স্বৰ্গদেৱলৈ জনাই পঠালে। স্বৰ্গদেৱে মন্ত্ৰীসকলৰ সৈতে এই কথাৰ আলোচনা কৰিবৰ সময়ত বৰ আই-কুঁৱৰীয়ে কাপোৰৰ আঁৰৰপৰা ক'লে, "বৰফুকনৰ কথা মানি চলিলেহে যুদ্ধত জয়লাভ হ'ব। ফুকনৰ কথা নৰজিলে আমাৰ পৰাজয় হোৱাটো নিশ্চয়।"

স্বৰ্গদেৱে বৰ-কুঁৱৰীৰ উপদেশ মানি বৰফুকনলৈ কৈ পঠিয়ালে, বোলে, "ফুকনৰ কথাই মোৰ কথা।"

অগ্নি, সৰ্প আৰু প্ৰলোভন, এই তিনি একে ধৰণেৰে বিষাক্ত। ফিৰিঙতিৰপৰা খাণ্ডৱ-দাহ হ'ব পাৰে। ফেটীসাপ আৰু ছয় আঙুলিয়া খন্তীয়া-সাপ উভয়ে প্ৰাণনাশ কৰিব পাৰে। প্ৰলোভন সৰ্প এবাৰ যুদ্ধ শিবিৰত সোমালে, সৰ্বনাশ সংঘটিত হ'ব। অসমীয়া কটকী ৰামচৰণ আৰু নিমক ৰামসিংহই ৰাজপুতনাৰ ফালৰ কাঠৰ চৰাইৰ নাচ দেখুৱাইছিল। কটকীৰ মনত লোভ জগাবলৈ ৰামসিংহই সেইটো কৰাইছিল।

কটকী ৰামচৰণে কাঠৰ চৰাইৰ নাচ দেখি আচহুৱা চৰাইটোলৈ ঘনে ঘনে চাইছিল। পাছে ৰামসিংহই কটকীৰ হেঁপাহ দেখি সুধিলে বোলে, "অসমৰ উকীল, কি লাগে খোজ, মই দিওঁ।" ৰামচৰণ কটকীয়ে অসমীয়াক দেখুৱাবলৈ চৰাই এটি খুজিলে, ৰামসিংহই দুটা চৰাই দিলে। লাচিত বৰফুকনে শুনি, মোগলৰ সেনাপতিক চৰাই খোজাৰ দায়ত, ৰামচৰণক লোৱা লগাই থ'লে।



শৰাইঘটীয়া সেনাপতি এজনৰ নাম আছিল কোৱামৃদ্ধা হাজৰিকা। মোগলে তেওঁক নাৱে সৈতে ধৰি আনন্দত মতলীয়া হৈ তেওঁক নাচিবলৈ ক'লে। চাৰিওফালে মোগলৰ নাও, মাজতে কোৱামৃদ্ধাৰ নাও। হাজৰিকাই ক'লে, "মই নাচিম। ঢোল-মৃদংগ-খঞ্জৰী নাই, তোমালোকে চাপৰি মাৰা।" নাৱৰ বৈঠাৰপৰা হাত এৰি মোগল সৈন্যই চাপৰি মাৰিবলৈ ধৰিলে। কোৱাই নিজৰ নাওবৈচাক টিপ দিলে নাৱৰ মূৰ অসমীয়া নাৱৰ পোনে টোঁৱাবলৈ। নাচোনৰ ছেও দেখি বঙালৰ সৈন্য মচগুল হ'ল। এই ছেগতে কোৱাৰ নাওখন সাউৎকৰে আঁতৰি গ'ল। মোগলে বৈঠা মাৰি নাও ভিৰাই তেওঁক খেদিবলৈ যো-জা কৰোঁতেই অসমীয়াৰ নাও নিজৰ ঠাই পালেগৈ।

শৰাইঘাটৰ কাৰ্যপন্থা আৰু এটি কথাত অতুলনীয় আছিল। সৈন্য বাহিনীৰ কেইবাটাও অংগ, হাতী-ঘোঁৰা, নাও-নাৱৰা, অস্ত্ৰ-শস্ত্ৰ, চাউল-যোগনীয়া ইত্যাদি। ইয়াৰ প্ৰত্যেকে আনবোৰৰ সৈতে

একে লগ হৈ একে উদ্দেশ্যত কাম কৰিব নোৱাৰিলে, তাৰপৰা বিষম বেমেজালি আৰু অনিষ্ট হয়। স্বৰ্গদেউ চক্ৰধ্বজ সিংহই আদেশ দিলে, বোলে, "মোগলক তুৰন্তে ধৰিব লাগে।" ইফালে যুদ্ধ বা তাৰ অংগবোৰৰ আয়োজন বিশেষ একো নাই। মীৰজুমলাই ভাঙি থৈ যোৱা দেশখন পাতি, আহিলা সংগ্ৰহ কৰি যুদ্ধৰ সন্মুখীন হ'বলৈ দিন লাগিব। সেই দেখি ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁয়ে আগপাছ সকলো কথা স্বৰ্গদেৱক বুজাই ক'লে। তাৰ পাছত তিনি বছৰৰ আয়োজনৰ পাছতহে অসমে মোগলক পৰাস্ত কৰি গুৱাহাটী আৰু কামৰূপ উদ্ধাৰ কৰিব পাৰিলে।

আলাবৈৰ ৰণত একেদিনে দহ হাজাৰ অসমীয়া সৈন্য নিহত হোৱাত লাচিত বৰফুকনে বৰ বেজাৰ পালে। স্বৰ্গদেৱে বিবেচনা নকৰাকৈ ৰণ কৰিবলৈ আদেশ দিয়াৰ কাৰণেই অসংখ্য সৈন্য নিহত হ'বলগীয়া হৈছিল। লাচিতে ক'লে, বোলে, "মোৰ একোটা মানুহ, একোটা হাতী, আজি মই তেনে মানুহ দহ হাজাৰ হেৰুৱালোঁ। এই কথা স্বৰ্গদেৱলৈ জনাই পঠাওঁ।" বুঢ়াগোহাঁই ডাঙৰীয়াই লাচিতক হাক দি ক'লে, "বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে। এইটো ৰণহে হৈছে। এই জানি দুই-চাৰি লোক কিয় নপৰিব? এই কথা ৰজালৈ জনাবলৈ ভাল নহয়।" সুবিবেচনাৰে কাৰ্যপন্থা নিৰূপণ আৰু ক্ষিপ্ৰভাৱে কাৰ্যপন্থা গ্ৰহণ আৰু সম্পাদন, এই দুইৰ সমাৱেশ শৰাইঘাটৰ ৰণত অসমীয়াৰ কাৰণে আৱশ্যক আছিল আৰু আগলৈকো আৱশ্যক হ'ব। সেয়ে শৰাইঘাট নাই, কিন্তু শৰাইঘাট আছে।

ৰামসিংহৰ লগত অসংখ্য সৈন্য আহিছে অসমক ধ্বংস কৰিবলৈ তাকে চাই লাচিতে বৰফুকনে খেদ কৰি ক'লে, "মই ফুকনৰ দিনত এনে দশা হ'ল? মোৰ ৰজা ৰক্ষা হ'ব কেনেকৈ, ৰাইজ ৰক্ষা হ'ব কেনেকৈ? পাছলৈ বা ৰক্ষা হ'ব কেনেকৈ?" ইয়াৰ অলপ পাছতে যুদ্ধ কৰিবলৈ সকলোকে আজ্ঞা কৰিলে। ৰাইজ, ৰজা, দেশ সকলোকে কেৱল বৰ্তমানেই নহয়, ভৱিষ্যতলৈকো সুৰক্ষিত কৰি ৰখাৰ এই উক্তিয়েই হৈছে লাচিত বৰফুকনে কৰা জাতীয়তাবাদৰ সুন্দৰ বিশ্লেষণ। অসমীয়াই জাতীয় কল্যাণৰ কাৰণে অন্য উপদেশ পাহৰিলেও এই বচন ফাঁকি যেন কেতিয়াও নাপাহৰে।

---

*(ড° সূৰ্য কুমাৰ ভূঞাই ১৯৫৬ চনত (১৮৭৭ শক, ফাগুন ১২-২৪) 'লাচিত মেলা'ৰ (জাঁজী) মূল সভাৰ সভাপতি হিচাপে প্ৰদান কৰা ভাষণৰ সংক্ষিপ্ত আৰু পুনৰ্লিখিত ৰূপ ।)*

জানো আহা

**সূৰ্য কুমাৰ ভূঞা (১৮৯২-১৯৬৪)** — অসমৰ পুৰণি বুৰঞ্জী উদ্‌ঘাটন, সম্পাদনা আৰু প্ৰকাশৰ ক্ষেত্ৰত ড° সূৰ্য কুমাৰ ভূঞা প্ৰবাদপুৰুষ হৈ আছে। ড° সূৰ্য কুমাৰ ভূঞাই আগজীৱনত কিছুমান কবিতা লিখিছিল আৰু সেইখিনি 'নিৰ্মালি' নামৰ সংগ্ৰহটোত থুপ খাই আছে। বৈষ্ণৱ কবিতাৰ আৰ্হিত তেখেতে 'ভানুনন্দন' নামত 'জয়মতী উপাখ্যান' লিখিছিল। এক অননুকৰণীয় গদ্যভংগীৰে লিখা 'স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ' এখন মূল্যৱান গ্ৰন্থ। এইদৰে অসমীয়া আৰু ইংৰাজী ভাষাত ডেৰকুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যত সুকীৰ্তি ৰখাৰ উপৰি ছিলঙত অনুষ্ঠিত 'অসম সাহিত্য সভা'ৰ দ্বাবিংশ অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল।

তেখেতৰ জন্মস্থান নগাঁও। ড° সূৰ্য কুমাৰ ভূঞা আছিল কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যক্ষ। তেখেত প্ৰথম অসমীয়া শিক্ষাধিকাৰো (D.P.I.) আছিল। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটো তেখেতৰ জীৱনৰ কীৰ্তি-স্তম্ভ বুলিব পাৰি। নিজৰ বাসভৱনত আৰম্ভ কৰা এই বিভাগটোৱেই পাছত চৰকাৰী বিভাগত পৰিণত হয়।

কলিকতা আৰু লণ্ডন বিশ্ববিদ্যালয়ত মেধা আৰু কৃতিত্বৰ পৰিচয় দিয়া ইতিহাসৰ ছাত্ৰ ড° সূৰ্য কুমাৰ ভূঞা ভাৰতবৰ্ষৰ এগৰাকী আগশাৰীৰ ইতিহাসবিদ।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১। পাঠটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া।

২। উত্তৰ দিয়া।

(ক) অতীতৰ শৰাইঘাটৰ সমস্যাবোৰ কি আছিল?

(খ) বৰ্তমান শৰাইঘাটৰ সমস্যাবোৰ কি?

(গ) ৰামসিংহ কোন আছিল?

(ঘ) তেওঁ কিয় অসমলৈ আহিছিল?

(ঙ) শৰাইঘাটৰ ৰণ কাৰ কাৰ মাজত হৈছিল?

(চ) লাচিতৰ অধীনত কিমান সৈন্য আছিল?



(ছ) মোগলে নাৱেৰে সৈতে ধৰি ৰখা শৰাইঘটীয়া সেনাপতিজনৰ নাম কি?

(জ) মোগলৰ সেনাপতিক চৰাই খোজাৰ দায়ত লাচিত বৰফুকনে কাক লোৱা লগাই থৈছিল?

(ঝ) ৰজা ৰামসিংহই বীৰ লাচিতক আফুগুটিৰ সহায়ত কি বুজাবলৈ গৈছিল?

(ঞ) লাচিতে অসমীয়া সৈন্যবল বুজোৱাৰ উদ্দেশ্যে ৰামসিংহলৈ কি পঠিয়াইছিল?

৩। **পাঠটোত থকা কঠিন শব্দবোৰৰ অৰ্থ শব্দ-সম্ভাৰ আৰু অভিধান চাই জানি লোৱা।**

৪। **পাঠত থকাৰ দৰে সংলাপবোৰ লিখা।**

(ক) কথাৰ যুদ্ধৰে বলে নোৱাৰি ৰামসিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰা সময়ত জ্বৰৰ গাৰে লাচিত বৰফুকনে অসমীয়া ৰণুৱাসকলক কি কৈছিল?

(খ) অসম এৰি যোৱা সময়ত ৰামসিংহই অসমক প্ৰশংসা কৰি কি কৈছিল?

(গ) কোনোবাই যুদ্ধৰ কামত মন এৰি ইফাল-সিফাল কৰে বুলি বীৰ লাচিত বৰফুকনে কামাখ্যা গোঁসানীলৈ সেৱা কৰি কি ঘোষণা কৰিছিল?

(ঘ) বৰ আই-কুঁৱৰীয়ে কাপোৰৰ আঁৰৰ পৰা স্বৰ্গদেউক কি উপদেশ দিছিল?

৫। **বহলাই লিখা।**

(ক) যুদ্ধত জয়ী হ'বলৈ যুদ্ধৰ আহিলাৰ বাহিৰে আৰু কিহৰ প্ৰয়োজন আছে লিখা।

(খ) সেনাপতি কোৱামৃদ্ধা হাজৰিকাই কি কৌশলেৰে মোগল সৈন্যৰ মাজৰ পৰা সাৰি আহিবলৈ সক্ষম হৈছিল বৰ্ণনা কৰা।

(গ) শৰাইঘাটৰ ৰণত অসমৰ বিজয়ৰ মূলতে থকা কথাবোৰ লিখা।

৬। **প্ৰসংগ সংগতি দৰ্শাই বুজাই লিখা।**

(ক) 'অগ্নি, সৰ্প আৰু প্ৰলোভন, এই তিনি একেধৰণেৰে বিষাক্ত।'

(খ) 'বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা-দহোটা মানুহক শিঙিয়ে বিন্ধে।'

(গ) 'সেয়ে শৰাইঘাট নাই, কিন্তু শৰাইঘাট আছে।'

(ঘ) 'আফুগুটি পঠিয়াইছা পটাত পিহিলে পানী হ'ব।'

(ঙ) 'এই সমস্যাবোৰৰ ভালৰূপে সমাধান নহ'লে অসমৰ অস্তিত্ব লৈ টনাটনি হ'ব।'

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

- এনে **ধৰণৰ** সমস্যা চিৰকাল অসমৰ গাত লম্ভি আছে আৰু লম্ভি থাকিব আৰু এক **শ্ৰেণীৰ** সমস্যা সমাধান হ'লে আন **শ্ৰেণীৰ** সমস্যাই মূৰ দাঙি উঠিব।
- ......... দেশৰ মঙ্গলৰ কাৰ্যত **সম্পূৰ্ণ** আত্মবিলোপ ..........
- সুবিবেচনাৰে কাৰ্যপন্থা **নিৰূপণ** আৰু ক্ষিপ্ৰতাৰে কাৰ্যপন্থা **গ্ৰহণ** আৰু সম্পাদন, এই দুইৰ সমাৱেশ শৰাইঘাট **ৰণত** অসমীয়াৰ **কাৰণে** আৱশ্যক আছিল।

ওপৰৰ বাক্য তিনিটাত থকা ডাঙৰ হৰফৰ পদকেইটাত **ণ (মূৰ্দ্ধন্য)** আছে। এই পদকেইটাৰ বানান বা আখৰ জোঁটনি (বৰ্ণবিন্যাস) কৰিলে দেখা যায় যে এই **ণ**-বোৰৰ আগত **ৰ**-বৰ্ণ আছে। অৱশ্যে **ধৰণ, ৰণ** আৰু **কাৰণ** এই শব্দকেইটাত **ৰ**-টো একেবাৰে ওচৰত নিজ ৰূপত আছে। **সম্পূৰ্ণ** শব্দটোত **ৰ**-টো ' ´ ' **(ৰেফ)** আকাৰত **ণ**-অৰ লগত যুক্ত হৈছে আৰু **শ্ৰেণী** শব্দত ' ্ৰ ' (ৰকাৰ) ৰূপে আছে।

তলৰ বাক্যত ব্যৱহাৰ হোৱা **ভীষণ** আৰু **বিশ্লেষণ** পদ দুটাৰ **ণ**-ৰ আগত **ষ** আছে।

লাচিতৰ তেতিয়া **ভীষণ** জ্বৰ।

এই উক্তিয়ে হৈছে লাচিত বৰফুকনে কৰা জাতীয়তাবাদৰ সুন্দৰ **বিশ্লেষণ**।

**ঋণ, তৃণ** আদি শব্দৰ ণ-ৰ আগত **ঋ** বা ৃ -কাৰ আছে।

ইয়াৰ পৰা আমি ক'ব পাৰোঁ যে - **ঋ, ৰ** আৰু **ষ**-ৰ পাছত থকা ন-বোৰ **মূৰ্দ্ধন্য ণ** হয়। কিন্তু **নিৰূপণ, গ্ৰহণ, কৃপণ, ৰাৱণ, নাৰায়ণ, বৰষুণ** আদি শব্দৰ **ন মূৰ্দ্ধন্য ণ** তলৰ নিয়ম অনুসৰি হয়— **ঋ, ৰ, ষ** আৰু **ন**ৰ মাজত কোনো স্বৰবৰ্ণ বা **ক** আৰু **প** বৰ্গৰ কোনো বৰ্ণ বা **য, ৱ, হ** বা **অনুস্বাৰ** (ং) থাকিলেও **ন মূৰ্দ্ধন্য** হয়।

পিছে এই নিয়ম কেৱল সংস্কৃতমূলীয় শব্দৰ ক্ষেত্ৰতহে খাটে, অসমীয়া শব্দত নহয়। যেনে- **ৰইনা, বৰিয়নি, গেৰেকনি, বৰীয়ানী**

আকৌ, এটা শব্দৰ শেষত **ৰ** আৰু দ্বিতীয় শব্দৰ আদিত **ন** থাকি দুয়োটা শব্দ লগ লাগিলেও **ণ-মূৰ্দ্ধন্য** নহয়। যেনে-

**নৰ** + **নাথ** ⇒ **নৰনাথ,** **হৰি** + **নাথ** ⇒ **হৰিনাথ,** **হৰি** + **নাৰায়ণ** ⇒ **হৰিনাৰায়ণ,**
**নৰ** + **নাৰায়ণ** ⇒ **নৰনাৰায়ণ,** **ত্ৰি** + **নয়ন** ⇒ **ত্ৰিনয়ন,** **হৰি** + **নাম** ⇒ **হৰিনাম,**
**সৰ্ব** + **নাম** ⇒ **সৰ্বনাম** ইত্যাদি।

অসমীয়া স্ত্ৰী প্ৰত্যয়ৰ **নী-ৰ ন মূৰ্দ্ধন্য-ণ** নহয়। যেনে- **বৰানী, বৰুৱানী,কমাৰনী, কুমাৰনী, গৰাকিনী** ইত্যাদি।

৭। তলত দিয়া শব্দবোৰৰ বৰ্ণ বিন্যাস কৰা আৰু কাৰণ দৰ্শোৱা।

(ক) কিয় **মূৰ্দ্ধন্য** ণ হৈছে

(খ) কিয় **মূৰ্দ্ধন্য** ণ নহ'ল

**পৰিণাম, পৰিধান, পৰিমাণ, প্ৰণাম, প্ৰাৰ্থনা, বিশেষণ, কৃপণ, নিৰ্ণয়, পাষাণ, শ্ৰৱণ, তৰানি, নৰানি, ফেৰেঙনি, ৰামায়ণ।**

৮। তলৰ শব্দবোৰ উদাহৰণত দেখুওৱাৰ দৰে সন্ধি ভাঙি কি সন্ধি হ'ব নাম লিখা।

| | | | | |
|---|---|---|---|---|
| পৰীক্ষা | উজ্জ্বল | নিশ্চয় | দেৱালয় | শিৰশ্ছেদ |
| দৈনিক | মুনীন্দ্ৰ | সঞ্চয় | হিমালয় | জগন্নাথ |
| নৰেন্দ্ৰ | ইত্যাদি | উদ্ধাৰ | বিদ্যালয় | উচ্ছৃংখল |
| উল্লেখ | প্ৰত্যেক | সম্ৰাট | ষড়ানন | আশাতীত |
| সংযম | নয়ন | উন্নতি | সতীশ | যথোচিত |
| মহাৰ্ঘ | মহাত্মা | দুৰ্নীতি | দুশ্চিন্তা | ৰামায়ণ |

| সন্ধি ভাঙা | স্বৰসন্ধি | ব্যঞ্জনসন্ধি | বিসৰ্গসন্ধি |
|---|---|---|---|
| উদাহৰণঃ পৰি + ঈক্ষা | পৰীক্ষা | | |
| উৎ + জ্বল | — | উজ্জ্বল | — |
| নিঃ + চয় | — | — | নিশ্চয় |
| — | — | — | — |
| — | — | — | — |
| দিন + ষ্ণিক | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |
| — | — | — | — |

☞ ইতিমধ্যে আগৰ পাঠ্যপুথিত ছাত্ৰ-ছাত্ৰীয়ে বিশদভাৱে সন্ধি পঢ়ি আহিছে। সন্ধিৰ বিষয়ে পুনৰ আলোচনা কৰি মূল্যায়ন কৰিব।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

৯। তলত দিয়া বিশেষ্য পদবোৰৰ বিশেষণ ৰূপটো পাঠত আছে। বিচাৰি উলিয়াই লিখা।

| | বিশেষ্য | | বিশেষণ | বিশেষ্য | | বিশেষণ |
|---|---|---|---|---|---|---|
| যেনে - | যুগ | — | যুগমীয়া | ইতিহাস | — | ঐতিহাসিক |
| | অসম | — | অসমীয়া | সমৰ | — | |
| | মাতাল | — | | অৰ্থনীতি | — | |
| | যোগান | — | যোগানীয়া | ৰাজনীতি | — | |
| | শৰাইঘাট | — | | সমাজ | — | |

(ক) বিশেষ্যৰ পৰা বিশেষণলৈ নিয়া।

| | বিশেষ্য | | বিশেষণ | বিশেষ্য | | বিশেষণ |
|---|---|---|---|---|---|---|
| যেনে - | গাঁও | — | গাঁৱলীয়া | ঘৰ | — | ঘৰুৱা |
| | নগৰ | — | নগৰীয়া | ৰণ | — | ৰণুৱা |
| | চহৰ | — | চহৰীয়া | বন | — | বনুৱা |
| | পাহাৰ | — | পাহাৰীয়া | খক | — | খকুৱা |
| | মিছা | — | মিছলীয়া | পাম | — | পামুৱা |

(খ) বিশেষণৰ পৰা বিশেষ্যলৈ নিয়া।

| | বিশেষণ | | বিশেষ্য | বিশেষণ | | বিশেষ্য |
|---|---|---|---|---|---|---|
| যেনে - | সৰল | — | সৰলতা | দুষ্ট | — | দুষ্টালি |
| | নম্ৰ | — | | টেঙৰ | — | |
| | ভদ্ৰ | — | | ধূৰ্ত | — | |
| | সত্য | — | | ধিতিঙা | — | |
| | মিত্ৰ | — | | ভাল | — | |

## গ—জ্ঞান সম্প্ৰসাৰণ

১০। তলত উল্লেখ কৰা সমস্যাৰাজি 'যুগমীয়া শৰাইঘাট' পাঠটোৰ সহায়ত চমুকৈ লিখা।

(ক) ৰাজনৈতিক, (খ) সামাজিক, (গ) অৰ্থনৈতিক, (ঘ) ঐতিহাসিক, (ঙ) প্ৰাকৃতিক

১১। পাঠত উল্লেখ থকা বা নথকা অসমৰ দুৰ্যোগবোৰ প্ৰাকৃতিক আৰু কৃত্ৰিম— এই দুটা ভাগত বিভক্ত কৰা। লগতে সেইবোৰৰ কাৰণ উল্লেখ কৰি সমাধানৰ পৰামৰ্শ আগবঢ়োৱা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

১২। জাতীয় বীৰ লাচিতৰ স্মৃতি ৰক্ষাৰ্থে চৰকাৰী আৰু বেচৰকাৰীভাৱে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে লিখা। (স্মৃতি চিহ্ন, দিৱস উদ্‌যাপন, বঁটা প্ৰৱৰ্তন, ডাক-টিকট প্ৰচলন আদি।)

১৩। শৰাইঘাট দলঙৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰত দুজন বীৰৰ প্ৰতিমূৰ্তি আছে। সেই বীৰ দুজন কোন কোন? তেওঁলোকৰ বীৰত্বৰ কাহিনী লিখা।

১৪। 'বীৰ লাচিত' আৰু 'বীৰ চিলাৰায়'ক লৈ ৰচনা কৰা নাট সংগ্ৰহ কৰি অভিনয় কৰিবলৈ যত্ন কৰা।

১৫। চমু উত্তৰ দিয়া।

(ক) 'চিলাৰায় দিৱস' কি তাৰিখে পালন কৰা হয়?

(খ) 'লাচিত দিৱস' কি তাৰিখে পালন কৰা হয়?

(গ) 'চুকাফা দিৱস' (অসম দিৱস) কেতিয়া পালন কৰা হয়?



১৬। ৰচনা লিখা।

(ক) অসমৰ প্ৰাকৃতিক দুৰ্যোগ।

(খ) শৰাইঘাটৰ যুদ্ধ।

১৭। চমুটোকা লিখা।

(ক) স্বৰ্গদেউ চক্ৰধ্বজ সিংহ

(খ) লাচিত বৰফুকন

(গ) ৰাম সিংহ

## ঘ — প্ৰকল্প

১৮। দেশপ্ৰেমমূলক গীত এটি সংগ্ৰহ কৰি গীতটোৰ বিষয়ে চমুকৈ লিখা।

১৯। বীৰ লাচিতৰ বিষয়ে পঢ়াৰ পাছত স্বদেশৰ প্ৰতি তুমি কেনেধৰণে দায়িত্ব পালন কৰিবা সেই বিষয়ে লিখা।

২০। ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা।

☞ *'বীৰ লাচিত' আৰু 'বীৰ চিলাৰায়'ক লৈ ৰচনা কৰা নাটসমূহৰ অভিনয় কাৰ্য আৰু টোকাসমূহ লিখাত সহায় কৰিব।*

## পাঠ ২

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বুৰঞ্জীমূলক পাঠ পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা আৰু বিষয়বস্তুৰ জ্ঞান আহৰণ কৰা
- ব্যাখ্যা কৰিব পৰা
- ণত্ব বিধিৰ নিয়ম জনা আৰু শব্দত প্ৰয়োগ কৰিব পৰা
- স্বৰসন্ধি , ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধি ভাঙিব আৰু জোৰা লগাব পৰা
- বিশেষ্য পদৰ পৰা হোৱা বিশেষণৰ ৰূপ জনা
- বিশেষণ পদক বিশেষ্য পদলৈ নিব পৰা আৰু বিশেষ্য পদক বিশেষণ পদলৈ নিব পৰা
- অসমৰ প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সমস্যাৰ বিষয়ে জনা
- লাচিতৰ সাহস আৰু বীৰত্বপূৰ্ণ গুণৰ দ্বাৰা অনুপ্ৰাণিত হোৱা
- জাতীয় বীৰসকলক জনা আৰু প্ৰতিমূৰ্তি চিনি পোৱা
- ৰচনা লিখিব পৰা
- চমুটোকা লিখিব পৰা
- দেশপ্ৰেমমূলক কবিতা সংগ্ৰহ কৰি পঢ়িব পৰা, লিখিব পৰা
- স্বদেশৰ প্ৰতি থকা দায়িত্ব পালন কৰিব পৰা
- বিপদৰ পৰা নিজৰ দেশক ৰক্ষা কৰাৰ উপায় সম্বন্ধে জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| বুৰঞ্জীমূলক পাঠ | শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়িব পৰা | বিষয়বস্তুৰ জ্ঞান আহৰণ কৰি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | কঠিন শব্দৰ অৰ্থ ক'ব পৰা | ব্যাখ্যা কৰিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | বৰ্ণ বিন্যাস কৰিব পৰা আৰু ন মূৰ্দ্ধন্য ণ হোৱাৰ কাৰণ দৰ্শাব পৰা | সন্ধি ভাঙিব আৰু গঠন কৰিব পৰা | বিশেষ্য আৰু বিশেষণৰ ৰূপ পাঠৰ পৰা বিচাৰি উলিয়াই লিখিব পৰা | বিশেষ্যৰ পৰা বিশেষণলৈ আৰু বিশেষণৰ পৰা বিশেষ্যলৈ পদ পৰিবৰ্তন কৰিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | পাঠৰ আলমত অসমৰ দুৰ্যোগসমূহক প্ৰাকৃতিক আৰু কৃত্ৰিম হিচাপে ভাগ কৰি উলিয়াব পৰা | লাচিতৰ স্মৃতি ৰক্ষাৰ্থে চৰকাৰী আৰু বেচৰকাৰীভাৱে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে ক'ব পৰা | লাচিত আৰু বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি চিনিব পৰা | বিষয় বস্তুৰ জ্ঞান আহৰণ কৰি ৰচনা লিখিব পৰা | লাচিত বৰফুকন, ৰাম সিংহ আৰু স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ বিষয়ে জানি লিখিব পৰা | |
| | | | | | | |
| প্ৰকল্প | দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰি গাব আৰু লিখিব পৰা | পাঠটো পঢ়ি দেশৰ দায়িত্বৰ প্ৰতি সজাগ হোৱা | ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নাম জনা | | ভাৰতৰ স্বাধীনতা যুঁজাৰুসকলৰ নাম লিখিব পৰা | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*